মৰমৰ সন্তানসকল – "এই পতিত সৃষ্টি এখন পুৰণি গাঁও, এয়া তোমালোক থকাৰ উপযুক্ত নহয়, তোমালোক এতিয়া নতুন পাৱন সৃষ্টিলৈ যাব লাগে"

প্ৰশ্ন: পিতাই নিজৰ সন্তানসকলক উন্নতিৰ বাবে কোনটো এটা যুক্তি শুনায়?

উত্তৰ: সন্তানসকল, তোমালোক আজ্ঞাকাৰী হৈ বাপদাদাৰ মতত চলি থাকা। বাপদাদা দুয়োগৰাকী একত্ৰিত হৈ আছে, সেইবাবে যদি এওঁ (ব্ৰহ্মা বাবাই) কোৱাৰ বাবে কিবা লোকচানো হয় তেন্তে তাৰ বাবে দায়বদ্ধ হৈছে পিতা (শিৱবাবা), সকলো ঠিক কৰি দিব। তোমালোকে নিজৰ মত নচলাবা। শিৱবাবাৰ মত বুলি বুজি চলি থাকা তেতিয়া বহুত উন্নতি হ'ব।

ওঁম্ শান্তি। প্ৰথম মুখ্য কথা আত্মিক সন্তানসকলক পিতাই বুজায় যে নিজক আত্মা বুলি নিশ্চয় কৰি বহা আৰু পিতাক স্মৰণ কৰা তেতিয়া তোমালাকৰ সকলো দুখ দূৰ হৈ যাব। সেই লোকসকলে আশীৰ্বাদ দিয়ে নহয়। এই পিতায়ো কয় – সন্তানসকল, তোমালোকৰ সকলো দুখ দূৰ হৈ যাব। কেৱল নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰা। এয়াতো অতি সহজ। এয়া হ'ল ভাৰতৰ প্ৰাচীন সহজ ৰাজযোগ। প্ৰাচীনৰো সময়তো থাকিব লাগে নহয়। অতি পুৰণিও কিমান? পিতাই বুজায় – পূৰা 5 হাজাৰ বছৰ পূৰ্বে এই ৰাজযোগ শিকাইছিল। এয়া পিতাৰ বাহিৰে আন কোনেও বুজাব নোৱাৰে আৰু সন্তানসকলৰ বাহিৰে কোনেও বুজিব নোৱাৰে। গায়নো আছে – আত্মাসকল অৰ্থাৎ সন্তানসকল আৰু পৰমাত্মা পিতা বহুকাল বিচ্ছিন্ন হৈ থাকিল... পিতাইহে কয় তোমালোক ছিৰি নামি নামি (অৱনমিত হৈ হৈ) পতিত হৈ গৈছা। এতিয়া স্মৃতি উদয় হৈছে। সকলোৱে চিঞৰে – হে পতিত-পাৱন... কলিযুগত পতিতই হয়। সত্যযুগত হয় পাৱন। সেয়া হয়েই পাৱন জগত। এয়া পুৰণি সৃষ্টি বাস কৰাৰ উপযুক্ত নহয়। কিন্তু মায়াৰ প্ৰভাৱো কোনো কম নহয়। ইয়াত চোৱা 100-120 মহলাৰ ডাঙৰ ডাঙৰ ঘৰ নিৰ্মাণ কৰি থাকে। ইয়াক মায়াৰ পাম্প বুলি কোৱা হয়। মায়াৰ জাকজমকতা এনেকুৱা যে যদি কোৱা স্বৰ্গলৈ ব'লক তেতিয়া কৈ দিয়ে আমাৰ বাবে স্বৰ্গতো ইয়াতেই, ইয়াকে মায়াৰ জাকজমকতা বুলি কোৱা হয়। কিন্তু তোমালোক সন্তানসকলে জানা যে এয়াতো পুৰণি গাঁও, ইয়াক কোৱা হয় নৰক, পুৰণি সৃষ্টি সেয়াও ৰৌৰৱ নৰক। সত্যযুগক কোৱাই হয় স্বৰ্গ। এই শব্দটিতো আছে নহয়। ইয়াক বিকাৰী সৃষ্টি বুলিতো সকলোৱে ক'ব। নিৰ্বিকাৰী সৃষ্টিতো এই স্বৰ্গ আছিল। স্বৰ্গক কোৱাই হয় নিৰ্বিকাৰী সৃষ্টি, নৰকক বিকাৰী সৃষ্টি বুলি কোৱা হয়। ইমান সহজ কথাটিও কিয়নো কাৰো বুদ্ধিত উদয় নহয়! মনুষ্য কিমান দুখী। কিমান হায়-কাজিয়া আদি হৈ থাকে। দিনে-প্ৰতিদিনে বোমা আদিও এনেকুৱা তৈয়াৰ কৰি আছে যে পেলাব আৰু মনুষ্য নাশ হৈ যাব। কিন্তু তুচ্ছ বুদ্ধিৰ মনুষ্যই বুজি নাপায় যে এতিয়া কি হ'বলগীয়া আছে! এই কথা পিতাৰ বাহিৰে আন কোনেও বুজাব নোৱাৰে, কি হ'বলগীয়া আছে? পুৰণি সৃষ্টিৰ বিনাশ হ'ব আৰু নতুন সৃষ্টিৰ স্থাপনাও গুপ্তভাৱে হৈ আছে।

তোমালোক সন্তানসকলক কোৱাই হয় – গুপ্ত যোদ্ধা। কোনোৱে ভাবে জানো যে তোমালোকে যুদ্ধ কৰি আছা। তোমালোকৰ যুদ্ধ হ'ল 5 বিকাৰৰ লগত। সকলোকে কোৱা –পৱিত্ৰ হোৱা। এজন পিতাৰ সন্তান হোৱা নহয়। প্ৰজাপিতা ব্ৰহ্মাৰ সন্তানতো সকলো ভাই-ভনী হ'লা নহয়। বুজাবলৈ বহুত যুক্তি লাগে। প্ৰজাপিতা ব্ৰহ্মাৰতো অনেক সন্তান আছে, এজনতো নহয়। নামেই হ'ল প্ৰজাপিতা। লৌকিক পিতাক কেতিয়াও প্ৰজাপিতা বুলি কোৱা নহয়। প্ৰজাপিতা ব্ৰহ্মা হয় গতিকে তেওঁৰ সকলো সন্তান পৰস্পৰ ভাই-ভনী, ব্ৰহ্মাকুমাৰ-কুমাৰী হ'ল নহয়। কিন্তু বুজি নাপায়। যেন পাথৰ বুদ্ধিৰ, বুজিবলৈ চেষ্টাও নকৰে। প্ৰজাপিতা ব্ৰহ্মাৰ সন্তান ভাই-ভনী হৈ গ'ল। বিকাৰগ্ৰস্ততো হ'ব নোৱাৰে। তোমালোকৰ ফলকতো 'প্ৰজাপিতা' শব্দটি উল্লেখ কৰাতো অতি প্ৰয়োজন। এই শব্দটিতো নিশ্চয় উল্লেখ কৰা উচিত। কেৱল ব্ৰহ্মা বুলি লিখিলে ইমান প্ৰভাৱশালী নহয়। সেয়েহে ফলকতো শুদ্ধ শব্দ লিখি শুধৰণি কৰিব লাগে। এইটো অতি প্ৰয়োজনীয় শব্দ। ব্ৰহ্মা নামতো মহিলাৰো আছে। নামৰে অভাৱ হৈ গৈছে সেয়েহে পুৰুষৰ নাম মহিলাৰ ক্ষেত্ৰত ৰাখি দিয়ে। ইমান নাম আনিব ক'ৰপৰা? হওতে সকলো ড্ৰামাৰ পৰিকল্পনা অনুসৰি হয়। পিতাৰ বিশ্বাসী, আজ্ঞাকাৰী হোৱাতো কোনো মাহীৰ ঘৰ (ইমান উজু) নহয়। পিতা আৰু ককা দুয়োজন একত্ৰিত হৈ আছে নহয়। বুজিব নোৱাৰে যে এয়া কোন? তেতিয়া শিৱবাবাই কয় – মোৰ আজ্ঞাও বুজিব নোৱাৰে। ওলোটা বা চিধা যিয়েই কয়, তোমালোকে বুজিবা – শিৱবাবাই কয় তেতিয়া তেওঁ দায়বদ্ধ হৈ যাব। এওঁ কোৱা বাবে কিবা লোকচান হ'লে তেতিয়াও দায়বদ্ধ তেওঁ হোৱা বাবে তেওঁ সকলো ঠিক কৰি দিব। শিৱবাবাৰ বুলিয়ে বুজি থাকিবা তেতিয়া তোমালোকৰ বহুত উন্নতি হ'ব। কিন্তু কাচিৎহে বুজি পায়।

কোনোৱে আকৌ নিজৰ মতত চলি থাকে। পিতা কিমান দূৰণিৰ পৰা আহে – তোমালোক সন্তানসকলক নিৰ্দেশনা দিবলৈ, বুজাবলৈ। আন কাৰো ওচৰততো এই আধ্যাত্মিক জ্ঞান নাই। গোটেই দিন এইটো চিন্তন চলা উচিত – কি লিখোঁ যাতে মনুষ্যই বুজি পায়। এনেকুৱা চিধা শব্দ লিখা উচিত যাতে মনুষ্যৰ দৃষ্টি পৰে। তোমালোকে এনেকৈ বুজোৱা যাতে কোনো প্ৰশ্ন সোধাৰ প্ৰয়োজনেই নাথাকে। কোৱা, পিতাই কয় – নিজক আত্মা বুলি বুজি মোক স্মৰণ কৰা তেতিয়া সকলো দুখ দূৰ হৈ যাব। যি ভালদৰে স্মৃতিত থাকিব তেৱেঁই উচ্চ পদ পাব। এয়াতো ছেকেণ্ডৰ কথা। মনুষ্যই কি কি সুধি থাকে – তোমালোকে একো নক'বা। কোৱা, বেছিকৈ সুধি নাথাকিব। প্ৰথমে এটা কথা নিশ্চয় কৰা, প্ৰশ্নৰ জংঘলত বেছিকৈ আৱদ্ধ হৈ গ'লে তেতিয়া আকৌ ওলাই অহাৰ ৰাস্তা বিচাৰি নাপাব। যেনেকৈ কুঁৱলীৰ বাবে মনুষ্য বিবুদ্ধিত পৰি গ'লে তেতিয়া ওলাব নোৱাৰে, এয়াও এনেকুৱা – মনুষ্য ক'ৰপৰা ক'লৈ মায়াৰ ফালে গুচি যায় সেইবাবে প্ৰথমে সকলোকে এটা কথাই কোৱা – আপুনিতো অবিনাশী আত্মা। পিতাও অবিনাশী, পতিত-পাৱন। আপুনি পতিত। এতিয়া হয়তো ঘৰলৈ যাব লাগে অথবা নতুন সৃষ্টিলৈ। পুৰণি সৃষ্টিত শেষলৈকে আহি থাকে। যিয়ে সম্পূৰ্ণকৈ নপঢ়ে তেওঁলোকতো নিশ্চয় পাছৰফালে আহিব। কিমান হিচাপ আছে আকৌ পঢ়াৰ আধাৰতো বুজা যায় প্ৰথমত কোন যাব? স্কুলতো চিহ্ন দেখুৱায় নহয়। দৌৰি গৈ হাত লগাই আহা। প্ৰথম নম্বৰত অহাজনে পুৰস্কাৰ পায়। এয়া হ'ল বেহদৰ কথা। বেহদৰ পুৰস্কাৰ পোৱা যায়। পিতাই কয় – স্মৃতিৰ যাত্ৰাত থাকা। দৈৱীগুণ ধাৰণ কৰিব লাগে। সৰ্বগুণ সম্পন্ন ইয়াত হ'ব লাগে সেইবাবে বাবাই কয় – স্মৃতিত থকাৰ খতিয়ান ৰাখা। স্মৃতিৰ যাত্ৰাৰো খতিয়ান ৰাখা তেতিয়া গম পাবা যে মই লাভত আছো নে লোকচানত? কিন্তু সন্তানসকলে নাৰাখে। বাবাই কয় কিন্তু সন্তানসকলে নকৰে। বহুত কম সংখ্যকে কৰে সেইবাবে মালাও কিমান কম সংখ্যকেৰে হয়। 8 (আঠ) গৰাকীয়ে জলপানি ল'ব তাৰপাছত আৰু 108 গৰাকী অতিৰিক্ত থাকে। অতিৰিক্ত আৰু কোন হ'ব? যিসকল বাদশ্বাহ আৰু ৰাণী হ'ব। নিচেই কম পাৰ্থক্য থাকে।

সেয়েহে পিতাই কয় – প্ৰথমে নিজক আত্মা বুলি বুজা আৰু পিতাক স্মৰণ কৰা এয়াই হ'ল স্মৃতিৰ যাত্ৰা। কেৱল এইটোৱে পিতাৰ বাৰ্তা দিব লাগে। টিক্ টিক্ কৰাৰ (বেছিকৈ কোৱাৰ) প্ৰয়োজন নাই, মনমনাভৱ। দেহৰ সকলো সম্বন্ধ ত্যাগ কৰি, পুৰণি সৃষ্টিৰ সকলো বুদ্ধিৰে ত্যাগ কৰিব লাগে কিয়নো এতিয়া উভটি যাব লাগে, অশৰীৰী হ'ব লাগে। ইয়াত বাবাই সোঁৱৰাই দিয়ে তাৰপাছত গোটেই দিন একেবাৰে স্মৰণ নকৰে, শ্ৰীমতত নচলে। বুদ্ধিত ধাৰণ নহয়। পিতাই কয় – নতুন সৃষ্টিলৈ যাবলৈ হ'লে তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হ'ব লাগে। বাবাই আমাক ৰাজ-ভাগ্য দিলে, আমি পুনৰ এনেকৈ হেৰুৱালোঁ, 84 জন্ম ল'লোঁ। লাখ লাখ বছৰৰ কথা নহয়, বহুত সন্তানে 'অল্ফ'ক (পিতাক) নজনাৰ বাবে আকৌ বহুত প্ৰশ্ন সুধি থাকে। পিতাই কয় – প্ৰথমে মামেকম্ স্মৰণ কৰা তেতিয়া পাপ খণ্ডন হৈ যাব আৰু দৈৱীগুণ ধাৰণ কৰা তেতিয়া দেৱতা হৈ যাবা আৰু একো সোধাৰ প্ৰয়োজন নাই। 'অল্ফ'ক নুবুজিলে 'বাদশ্বাহী'ৰ টিক্ টিক্ কৰি থাকিলে নিজেও হতাশ হৈ যায় তেতিয়া বিৰক্ত হৈ পৰে। পিতাই কয় প্ৰথমে 'অল্ফ'ক জানিলে সকলো জানি যাব। মোৰ দ্বাৰা মোক জানিলে তোমালোকে সকলো জানি যাবা। বাকী জানিবলৈ একো নাথাকিব। সেইবাবে 7 দিন ৰখা হয়। 7 দিনত বহুত বুজিব পাৰে। কিন্তু বুজোঁতাসকল ক্ৰমানুসৰি হয়। কোনোৱেতো একোৱেই বুজি নাপায়। তেওঁলোক কি ৰজা-ৰাণী হ'ব! এজনৰ ওপৰত ৰাজত্ব কৰিব জানো? প্ৰত্যেকে নিজৰ প্ৰজা তৈয়াৰ কৰিব লাগে। সময় বহুত নষ্ট কৰে। পিতাইতো কয় – বেচেৰাসকল। লাগিলে যিমানেই ডাঙৰ পদবীধাৰী নহওক, কিন্তু পিতাই জানে এয়াতো সকলো মাটিত মিলি যাব। বাকী অলপ সময় আছে। বিনাশকালত অপ্ৰীতিকৰ বুদ্ধিৰ সকলৰতো বিনাশ হ'ব। আমাৰ অৰ্থাৎ আত্মাৰ প্ৰীতি বুদ্ধি কিমান, সেয়াতো বুজিব পাৰে। কিছুমানে কয় – এক-দুই ঘণ্টা স্মৃতিত থাকে! কি লৌকিক পিতাৰ প্ৰতি তোমালোকে এক-দুই ঘণ্টা প্ৰীতি ৰাখা নেকি? গোটেই দিন বাবা বাবা কৰি থাকা। ইয়াত যদিও বাবা বুলি কয় কিন্তু ইমান গভীৰ প্ৰীতি আছে জানো। বাৰে বাৰে কয় - শিৱবাবাক স্মৰণ কৰি থাকা। সঁচা অৰ্থত স্মৰণ কৰিব লাগে। চালাকী চলিব নোৱাৰে। বহুত আছে যিসকলে কয় – আমিতো শিৱবাবাক বহুত স্মৰণ কৰোঁ তেতিয়া তেওঁতো উৰিবলৈ ধৰিব। বাবা বচ্ মইতো বহুতৰ কল্যাণ কৰিবলৈ সেৱাত যাওঁ। যিমানে বহুতক বাৰ্তা দিব সিমানে স্মৃতিত থাকিব। বহুত কন্যাই কয় – বন্ধন আছে। হেৰ', বন্ধনতো গোটেই জগতৰে আছে, বন্ধন যুক্তিৰে দূৰ কৰিব লাগে। যুক্তি বহুত আছে, ধৰি লোৱা কালি মৰি থাকিলা তেতিয়া সন্তানৰ কোনে তত্বাৱধান ল'ব? নিশ্চয় কোনোবা নহয় কোনোবা তত্বাৱধান লওঁতা ওলাব। অজ্ঞান কালততো দ্বিতীয় বিবাহ কৰি লয়। এই সময়ততো বিবাহো বিপদ। কাৰোবাক অলপ পইচা দি কোৱা – সন্তানসকলৰ তত্বাৱধান লোৱা। তোমালোকৰ এয়া জীৱন্তে মৃত জন্ম নহয় জানো। জীৱন্তে মৰি গ'লা তাৰপাছত কোনে তত্বাৱধান ল'ব? সেয়েহে নিশ্চয় ধাত্ৰী ৰাখিবলগীয়া হয়। পইচাৰে কি কৰিব নোৱাৰি। বন্ধনমুক্ত নিশ্চয় হ'ব লাগে। সেৱাৰ চখ থকাসকল নিজেই দৌৰিব। জগতৰ পৰা মৰি গ'লা নহয়। ইয়াততো পিতাই কয় – মিত্ৰ-সম্বন্ধীয় আদিকো উদ্ধাৰ কৰা। সকলোকে 'মনমনাভৱ'ৰ বাৰ্তা দিয়া তেতিয়া তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হৈ যাব। এয়া পিতাইহে কয় আনসকলতো ওপৰৰ পৰা আহে। তেওঁলোকৰ প্ৰজাও তেওঁলোকৰ পিছে পিছে আহি থাকিব। যেনেকৈ যীশুখ্ৰীষ্টই সকলোকে তললৈ লৈ আহে। তলত

ভূমিকা পালন কৰি কৰি যেতিয়া অশান্ত হয় তেতিয়া কয় – আমাক শান্তি লাগে। বহিছিলাতো শান্তিতে। আকৌ ধৰ্মগুৰুক অনুসৰণ কৰিবলগীয়া হয়। তাৰ পাছত কয় – হে পতিত-পাৱন আহক। কেনেকুৱা খেল ৰচি থোৱা আছে। তেওঁলোক শেষত আহি লক্ষ্য ধাৰণ কৰিব। সন্তানসকলে সাক্ষাৎকাৰ কৰিছে। তেওঁলোক আহি 'মনমনাভৱ'ৰ লক্ষ্য ধাৰণ কৰিব। এতিয়া তোমোলোক ভিকহুৰ পৰা ৰাজকুমাৰ হোৱা। এই সময়ৰ যিসকল চহকী, তেওঁলোক ভিকহু হ'ব। আচৰিত কথা। এই খেলখনক কোনেও অলপো নাজানে। গোটেই ৰাজধানী স্থাপনা হৈ আছে। কোনোবাতো গৰিবো হ'ব। এয়া বহুত দূৰদৰ্শী বুদ্ধিৰে বুজিবলগীয়া কথা। শেষলৈ সকলো সাক্ষাৎকাৰ হ'ব আমি কেনেকৈ স্থানান্তৰ হওঁ। তোমালোকে নতুন সৃষ্টিৰ বাবে পঢ়া। এতিয়া সংগমত আছা। পঢ়ি উত্তীৰ্ণ হ'লে তেতিয়া দৈৱী কুলত যাবা। এতিয়া ব্ৰাহ্মণ কুলত আছা। এই কথাবোৰ কোনেও বুজিব নোৱাৰে। ভগৱানে পঢ়ায়, অলপো কাৰো বুদ্ধিত ধাৰণ নহয়। নিৰাকাৰ ভগৱান নিশ্চয় আহিব নহয়। এই ড্ৰামাখন বৰ আশ্চৰ্যজনকভাৱে ৰচি থোৱা আছে, সেয়া তোমালোকে জানা আৰু ভূমিকা পালন কৰি আছা। ত্ৰিমূৰ্তিৰ চিত্ৰৰ ওপৰতো বুজাব লাগে – ব্ৰহ্মাৰ দ্বাৰা স্থাপনা। বিনাশতো আপোনাআপুনি হ'বই। কেৱল নাম ৰাখি দিছে। এয়াও ড্ৰামা ৰচি থোৱা আছে। মুখ্য কথা হ'ল – নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰা তেতিয়া মামৰ (বিকাৰৰ লেপ) আঁতৰি যাব। স্কুলত যিমান ভালদৰে পঢ়িবা, বহুত আমদানি হ'ব। তোমোলোকে 21 জন্মৰ বাবে স্বাস্থ্য সম্পত্তি লাভ কৰা, কম কথা জানো! ইয়াত যদিও সম্পত্তি আছে কিন্তু সময় নাই যে পুত্ৰ-নাতিয়ে ভোগ কৰিব পাৰিব। পিতাই (ব্ৰহ্মাই) সকলো সেৱাত লগাই দিলে তেন্তে কিমান জমা হৈ গ'ল। সকলোৰে জানো জমা হয়। ইমান লাখপতি আছে, পইচা কামত নাহিব। পিতাই নল'বই যে পাছত দিবলগীয়া হ'ব। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) বন্ধন দূৰ কৰাৰ যুক্তি ৰচিব লাগে। অন্তৰংগ পিতাৰ প্ৰতি প্ৰীতি ৰাখিব লাগে। সকলোকে পিতাৰ বাৰ্তা দি, সকলোৰে কল্যাণ কৰিব লাগে।

(2) দূৰদৰ্শী বুদ্ধিৰে এই বেহদৰ খেলখন বুজিব লাগে। ভিকহুৰ পৰা ৰাজকুমাৰ হোৱাৰ পঢ়াৰ প্ৰতি পূৰা ধ্যান দিব লাগে। স্মৃতিত থকাৰ সঁচা খতিয়ান ৰাখিব লাগে।

**বৰদান:** সংকল্প ৰূপী বীজ কল্যাণৰ শুভ ভাৱনাৰে ভৰপূৰ কৰি ৰাখোঁতা বিশ্ব কল্যাণকাৰী হোৱা

যেনেকৈ গোটেই বৃক্ষৰ সাৰ বীজত সমাহিত হৈ থাকে তেনেকৈ সংকল্প ৰূপী বীজ প্ৰত্যেক আত্মাৰ প্ৰতি, প্ৰকৃতিৰ প্ৰতি শুভ ভাৱনাযুক্ত হওক। সকলোকে পিতাৰ সমান কৰি তোলাৰ ভাৱনা, নিৰ্বলীক বলৱান কৰি তোলাৰ, দুখী অশান্ত আত্মাক সদায় সুখী শান্ত কৰি তোলাৰ ভাৱনাৰ ৰস বা সাৰ প্ৰতিটো সংকল্পত ভৰপূৰ হৈ থাকক, কোনো সংকল্প ৰূপী বীজ এই সাৰবিহীন অৰ্থাৎ ব্যৰ্থ যাতে নহয়, কল্যাণৰ ভাৱনাৰে সমৰ্থ হওক তেতিয়া পিতাৰ সমান বিশ্ব কল্যাণকাৰী আত্মা বুলি কোৱা হ'ব।

**শ্লোগান:** মায়াৰ জঞ্জাললৈ ভয় খোৱাৰ সলনি পৰমাত্ম মেলাৰ আনন্দ উদ্‌যাপন কৰি থাকা।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত**:** এতিয়া সম্পন্ন তথা কৰ্মাতীত হোৱাত মনোনিবেশ কৰা

কৰ্মাতীত হ'বলৈ অশৰীৰী হোৱাৰ অভ্যাস বঢ়োৱা। শৰীৰৰ বন্ধন, কৰ্মৰ বন্ধন, ব্যক্তিৰ বন্ধন, বৈভৱৰ বন্ধন, স্বভাৱ-সংস্কাৰৰ বন্ধন... কোনো বন্ধনে যাতে নিজৰ ফালে আকৰ্ষিত নকৰে। এই বন্ধনেই আত্মাক আটিল কৰি দিয়ে, ইয়াৰ বাবে সদায় নিৰ্লেপ অৰ্থাৎ অনাসক্ত আৰু অতি স্নেহী হোৱাৰ অভ্যাস কৰা।